জাতি-সমস্যা।

(জাতিৰ উন্নতি আৰু তাৰ দ্বাৰা দেশৰ কল্যাণ সাধনৰ উপায়।)

Manly Castes can make a manly Nation

শ্ৰীগৌৰীকান্ত তালুকদাৰ বি, এল।

শ্ৰীগৌৰীকান্ত তালুকদাৰ বি, এল প্ৰণীত।

ব্ৰহ্মচৰ্য্য

মূল্য **খনে—**॥৶০ অনা।

শ্ৰদ্ধেয় **শ্ৰীযুত তৰুণৰাম ফুকন দেৱে** লিখিছে:— "তোমাৰ 'ব্ৰহ্মচৰ্য্য' খন ময় আদিৰ পৰা অন্তলৈ পঢ়ি চাই পৰম সন্তোষ পালোঁ। এনেকুৱা পুথি এখনিৰ অভাৱ ময় বহুদিনৰে পৰা অনুভৱ কৰি আছিলোঁ আৰু ময় নিজে এনে এখন পুথি লিখিম বুলি ভাবিছিলোঁ তোমাৰ এই পুথিয়ে সেই অভাৱ পূৰণ আৰু মোৰ শ্ৰম দূৰ কৰাত সন্তো পালোঁ। আশা কৰোঁ ই ছাত্ৰসকলৰ আদৰ পাব আৰু ডেকাসকল বিশেষ উপকাৰ কৰিব।"

শ্ৰদ্ধেয় **শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ দেৱে** লিখিছে:—"তোমাৰ 'ব্ৰহ্মচৰ্য্য'খন পঢ়ি বৰ আনন্দ পালোঁ। অসংযমী হলে কি কুফল ফলে, উঠি অহা ডেকালৰা চামক অকপটভাৱে বুজাই দিয়াটো বৰ দৰ্কাৰ হৈ পৰিছে। এইটো ঠিক যে সংসাৰত ডাঙৰ হ লাগিলেই বা মানুহ বোলাব খুজিলেই প্ৰথমতে 'ব্ৰহ্মচৰ্য্যই' হে বিশে লাগিব। আজি ভাৰতত শৌৰ্য্য-বীৰ্য্য, জ্ঞান-গৰীমাৰ অভাৱ—কেৱল ব্ৰহ্মচৰ্য্যৰ অভাব হোৱাতেই। তোমাৰ কিতাপখনিৰ ভাষাও বৰ সুন্দ হৈছে আৰু কথাবিলাকো প্ৰাণত লাগি যায়। আশা কৰোঁ প্ৰত্যেক ডেকা লৰাৰ লগতে যেন এইখন কিতাপ সদায় সহচৰ হিচাপে থাকে।

গুৱাহাটী কটন কলেজৰ অধ্যাপক **শ্ৰীযুত শ্ৰীনাথ চক্ৰবৰ্ত্তী এম, এ প্ৰাচ্য-বিদ্যা-বাচস্পতি দেৱে** লিখিছে:— আপোনাৰ 'ব্ৰহ্মচৰ্য্য' খন ময় যিমানদূৰ বুজিছোঁ, ব্ৰহ্মচৰ্য্য বিষয়ে এখ উৎকৃষ্ট গ্ৰন্থ হৈছে। * * ময় ডাঠকৈ কব পাৰোঁ যে, ই নি শুণৰ বাব বাবে লিখা হৈছে সেইসকলৰ আদৰ লাভ কৰিব। পুথি বিষয়বিলাক আলোচনা কৰাৰ পদ্ধতি বাস্তৱতে অতি সুন্দৰ হৈ আৰু লিখকৰ লিখাৰ কৌশল আৰু বিচাৰ শক্তিৰ পৰিচয় দিছে। যিসকা কেৱল ব্ৰহ্মচৰ্য্যৰ নিয়ম প্ৰণালী নজনাৰ কাৰণে নিতৌ বিপথগামী ধৰিছে সেইসকলৰ পক্ষে এই পুথি পৰম সহায় হব—ইয়াত মোৰ সন্দেহ নাই

জাতি-সমস্যা।

(জাতিৰ উন্নতি আৰু তাৰ দ্বাৰা দেশৰ কল্যাণ
সাধনৰ উপায়।)

Library books [illegible]
if handed [illegible]

শ্ৰীগৌৰীকান্ত তালুকদাৰ বি, এল

প্ৰণীত আৰু প্ৰকাশিত

গুৱাহাটী।

GOVERNMENT OF ASSAM
Call No. ....
DISTRICT LIBRARY.

১৯২৯

মূল্য—।/০ অনা।

PLEASE HANDLE THE BOOK CAREFULLY.

কলিকতা
২নং বেথুন ৰো, ভাৰতমিহিৰ যন্ত্ৰত
শ্ৰীসৰ্ব্বেশ্বৰ ভট্টাচাৰ্য্য দ্বাৰা মুদ্ৰিত।

GOVERNMENT OF ASSAM.
Call No ....
DISTRICT LIBRARY.

নিবেদন

অহা বৰদিনৰ অবকাশত অভয়াপুৰীত '**নিখিল গোৱালপাৰা কলিতা সম্মিলন**' এখন পতাৰ স্থিৰ হোৱাত সম্মিলনৰ উদ্যোগ কৰোঁতাসকলে অনুগ্ৰহপূৰ্ব্বক আমাক সেই সম্মিলনৰ সভাপতিৰ পদ গ্ৰহণ কৰিবলৈ অনুৰোধ কৰে। বন্ধুসকলৰ অনুৰোধ উপেক্ষা কৰা অনুচিত ভাবি নিজৰ অক্ষমতালৈ নাচাই সেই পদ লবলৈ স্বীকাৰ কৰি আমি চলিত ৰীতিমতে এখন অভিভাষণ যুগুত কৰিবলৈ বাধ্য হওঁ। তাৰে ফল— এই ক্ষুদ্ৰ পুস্তিকা। এই ক্ষুদ্ৰ পুথিত হিন্দুসমাজৰ সকলো জাতিৰে উদ্‌গতিৰ উপায় চিন্তা কৰা হৈছে আৰু জাতিবিলাকৰ উন্নতি কৰি তাৰ দ্বাৰা কাৰো কোনো অনিষ্ট নকৰাকৈ কেনেকৈ হিন্দুসমাজৰ, লগে লগে দেশৰ সেৱা কৰিব পৰা যায়— তাৰ বিষয়েও আলোচনা কৰা হৈছে।

কোনো এটি বিশেষ জাতিৰ সম্মিলনৰ অভিভাষণ আন জাতিৰ লোকে আগ্ৰহেৰে পঢ়াৰ আশা কম। অভিভাষণৰূপে নুলিয়াই সাম্প্ৰদায়িকতা-বৰ্জ্জিত পুথি হিচাপে ৰাইজৰ আগত ধৰিলে বৰ্ত্তমান জাতি-সমস্যাৰ দিনত হিন্দু-সমাজৰ কিবা উপকাৰত আহিব পাৰে—সেই আশাতে ইয়াক পুথি হিচাপে উলিওৱা হ'ল। আশা কৰোঁ ইয়াৰ বাবে গোৱালপৰীয়া কলিতা সমাজে আমাক ক্ষমা কৰিব। যদি এই ক্ষুদ্ৰ পুথিৰ পৰা হিন্দুসমাজৰ কিবা উপকাৰ হয় তেন্তে তাৰ বাবে ধন্যবাদৰ গৰাকী তেখেতসকলহে।

গুৱাহাটী
নবেম্বৰ, ১৯২৯

শ্ৰীগৌৰীকান্ত তালুকদাৰ।

GOVERNMENT OF ASSAM
Call No...............
DISTRICT LIBRARY.

জাতি-সমস্যা

(জাতিৰ উন্নতি আৰু তাৰ দ্বাৰা দেশৰ কল্যাণ সাধনৰ উপায়।)

জাতি-ভেদ কম ডাঠ বস্তু নহয়।

জাতি-ভেদ কেতিয়া কিদৰে সৃষ্ট হ'ল—তাৰ সঠিক সম্ভেদ পোৱা টান। কিন্তু ই যে স্মৰণাতীত কালৰ পৰা ভাৰতত ৰাজত্ব কৰি আহিছে—তাত সন্দেহ নাই। ই অত্যন্ত শক্ত আৰু কষ্ট-সহিষ্ণু বস্তু। ই যেন মৰিও নমৰে। সুদূৰ অতীতত বৌদ্ধ যুগৰে পৰা আজিলৈকে ই যে কত সভ্যতাৰ কত ৰকমৰ আক্ৰমণ অতিক্ৰম কৰি আহিছে—স্বধৰ্ম্মী-বিধৰ্ম্মী, স্বজন-পৰজনৰ কত নিন্দা, কত দোষাৰোপ আৰু কত অভিসম্পাতৰ তীক্ষ্ণ বাণৰ বৰ্ষণ সহি আত্ম-ৰক্ষা কৰি আহিছে—কেৱল আত্ম-ৰক্ষায়ে নহয়,—পৰাধীন ভাৰতত স্বাধীনভাৱে বীৰদৰ্পেৰে ৰাজত্ব কৰি আছে—ভাবিলে আচৰিত নহৈ নোৱাৰি।

জাতি-ভেদে আজিও সমাজ-শাসন কৰি আছে।

বৰ্ত্তমান যুগত জাতি বা জাতি-ভেদৰ প্ৰতিপত্তি আৰু ইয়াৰ প্ৰতি লোকৰ আস্থা, অনুৰাগ আৰু শ্ৰদ্ধা বহু পৰিমাণে যে কমি আহিছে—তাত সন্দেহ নাই। কিন্তু ইয়াৰ প্ৰতিপত্তি যিমানেই নকমক কিয়—ইয়াৰ লোক-শাসনৰ মোহিনী শক্তি আৰু হিন্দু-

Library books will give you joy for long
if handled carefully with clean hands

সমাজ-পৰিচালনাৰ ক্ষমতা অক্ষুণ্ণ আছে বুলিলেও অধিক কোৱা নহয়। অল্প শিক্ষা পোৱা লোকৰ কথাই নাই জাতি-ভেদৰ গন্ধকে সহিব নোৱাৰা, অতি উদাৰ আৰু শিক্ষিত বুলি পৰিচিত লোকৰ ভিতৰতে সৰহ ভাগেই জাতি-ভেদৰ শাসন-দণ্ডৰ ওচৰত ভীত, নত আৰু পৰাজিত। তাৰ প্ৰমাণ আমি সদায় অশৌচ, শ্ৰাদ্ধ, বিবাহ আৰু নাম-প্ৰসঙ্গ আদি সামান্য সামান্য কাৰ্য্যৰ সময়তে পাই থাকোঁ।

এই কথা আমি জাতি-ভেদ সমৰ্থন নাইবা নিন্দা কৰিবলৈ উল্লেখ কৰা নাই। ইয়াতে আমি ইয়াকে মাত্ৰ কব খোজোঁ। যে জাতি-ভেদে আজিও আমাৰ সমাজ শাসন কৰিব লাগিছে আৰু কেতিয়ালৈ শাসন কৰি থাকিব—তাৰো সঠিক সিদ্ধান্ত অচিৰতে পোৱাৰ আশা কম।

বৰ্ত্তমান সমস্যা।

বহু কালৰ পুৰণি হলে মনুষ্য-সৃষ্ট যি কোনো বস্তু বা অনুষ্ঠানেই যে কিছু নে কিছু পৰিমাণে দোষ-যুক্ত আৰু সংস্কাৰাৰ্হ হয়—তাত সন্দেহ নাই। জাতি-ভেদ অতি পুৰণি অনুষ্ঠান। সেই দেখি ইয়াৰ শৰীৰত যে কিছুমান দোষ লেটি জমিছে—তাক সহজেই বুজিব পাৰি। আদিতে গুণ, কৰ্ম্ম প্ৰভৃতি যিবিলাক কাৰণৰ বাবে জাতিৰ সৃষ্টি হৈছিল, যিবিলাক কাৰণৰ দ্বাৰা জাতিৰ উচ্চ-নীচতা স্থিৰ হৈছিল আৰু যিবিলাক অৱস্থালৈ চাই কোনো জাতিক স্পৃশ্য বা অস্পৃশ্য কৰা হৈছিল—সেইবিলাক কাৰণ আৰু অৱস্থাৰ বৰ্ত্তমান কালত ঘোৰ পৰিবৰ্ত্তন ঘটিছে। সেই কাৰণেই বৰ্ত্তমান

PLEASE HANDLE THE BOOK CAREFULLY.

জাতি-সমস্যা।

কালত জাতি-ভেদ সমাজত খাপ নোখোৱা আৰু উন্নতিৰ প্ৰতিবন্ধক যেন দেখা গৈছে আৰু বহুতৰ মনত ই ঘোৰ অপ্ৰীতিকৰ আৰু চক্ষুশূল যেন হৈছে। গতিকে আগেয়ে জাতি-ভেদৰ শাসন-তন্ত্ৰ যিদৰে, যিভাৱে আৰু যিমান কঠোৰতাৰে সৈতে পালন কৰা হৈছিল—বৰ্ত্তমান কালতো সেইভাৱে পালন আৰু পৰিচালনা কৰিবলৈ খোজা কেনে অন্যায় আৰু অযুক্তিকৰ—তাক সহজে বুজিব পাৰি। এনে স্থলত চিন্তাশূন্য হৈ গতানুগতিকভাৱে ভাল-মন্দ নিবিচাৰি জাতি-ভেদ পালন কৰা—নাইবা সময়ৰ গতিত জাতি-ভেদৰ দোষ আপুনি দূৰ হব—নাইবা কেতিয়াবা জাতি-ভেদ ধ্বংস হলে লগতে তাৰ দোষবো অস্ত পৰিব—তেনে আশাতে বহি থকা,—কিমানদূৰ যুক্তিসঙ্গত,—তাক প্ৰত্যেক হিন্দুৱে গভীৰ-ভাৱে চিন্তা কৰা উচিত। আমাৰ মতে প্ৰত্যেক সমাজ-সংস্কাৰকৰ পক্ষে ই এটি প্ৰধান সমস্যা।

তিনি শ্ৰেণীৰ লোক।

অলপ দকৈ চিন্তা কৰিলে দেখা যায় যে,—বৰ্ত্তমান কালত আমাৰ সমাজত জাতিৰ প্ৰতি তিনি ৰকম ভাৱৰ তিনি শ্ৰেণীৰ লোক আছে। (১) এক শ্ৰেণীৰ লোকে জাতি-ভেদক দেৱতাৰ বিশিষ্ট দান বুলি সৰলভাৱে বিশ্বাস কৰে আৰু জাতি-বিভাগৰ নিৰ্দ্দিষ্ট কৰ্ত্তব্য পালন কৰি চলা,—ইহ কালৰ সুখ আৰু পৰকালৰ মুক্তিৰ কাৰণ বুলি বিবেচনা কৰে। (২) অন্য এক শ্ৰেণী লোকৰ বিশ্বাস ইয়াৰ ঠিক বিপৰীত। তেওঁবিলাকে জাতিৰ

নামকে সহ্য কৰিব নোৱাৰে। তেওঁলোকে জাতি-ভেদৰ প্ৰাচীন প্ৰাচীৰ ভাঙ্গি চুৰ-মাৰ কৰি জাতিৰ গণ্ডিৰ বাহিৰত, মুক্ত বায়ুত, মুক্ত আকাশৰ তলত বাস কৰিবলৈ বাঞ্ছা কৰে। (৩) ইয়াত বাহিৰে আৰু এক শ্ৰেণীৰ লোক আছে। তেওঁলোকৰ জাতিৰ প্ৰতি কোনো বিশেষ অনুৰাগ আছে—বোলা টান। কিন্তু তেওঁবিলাকে জাতি-ভেদৰ প্ৰাচীন অট্টালিকা ভাঙ্গি গৃহত্যাগী হৈ সমাজৰ বাহিৰত নাইবা বন্ধনবিহীন যথেচ্ছাচাৰ সমাজত বাস কৰিবলৈ প্ৰস্তুত নহয়। পাৰিলে তেওঁবিলাকে জাতি-ভেদৰ প্ৰাচীন অন্ধকাৰ অট্টালিকা, যিমান দিন থাকে, মেৰামত কৰি নতুন দৰজা-খিড়িকি কাটি বৰ্ত্তমান কালৰ বাসৰ যোগ্য কৰিবলৈ ইচ্ছা কৰে।

সংৰক্ষণশীল।

(The Conservatives.)

ইয়াৰে প্ৰথম শ্ৰেণীৰ লোকক সংৰক্ষণশীল বুলিব পাৰি। বৰ্ত্তমান সমাজত এই শ্ৰেণীৰ লোকৰ সংখ্যা নিচেই কম নহয়। অন্য লোকৰ জাতি-ভেদ নামানিবৰ যেনে অধিকাৰ আছে, সেইদৰে জাতি-ভেদ মানি চলিবৰ এওঁবিলাকৰো সমান অধিকাৰ আছে। তাত কোনোৱে বাধা দিব নোৱাৰে। কিন্তু জাতি-ভেদৰ প্ৰতি শ্ৰদ্ধা দেখুৱাবলৈ গৈ অন্য লোকক মনুষ্যোচিত আচৰণৰ পৰা বঞ্চিত কৰি আনৰ প্ৰতি হীন, হেয় পশুবৎ ব্যৱহাৰ কৰিবৰ কাৰো অধিকাৰ নাই। দুখৰ বিষয় জাতি মানি চলা বহুত উচ্চ জাতিৰ লোকে নিম্ন জাতিৰ লোকৰ প্ৰতি

ঘোৰ অন্যায় ব্যৱহাৰ কৰে; তেওঁলোকক সামান্য পশুতকৈও অধম যেন জ্ঞান কৰে, তেওঁলোক ঘৰত সোমালে মাহ-প্ৰসাদ, চাহ-পানী আদি চুৱা যায় বুলি তেওঁলোকক দূৰৈতে বিদূৰ কৰি মনত কষ্ট দিয়ে আৰু লগতে নৰৰূপী নাৰায়ণক অৱজ্ঞা কৰি নিজেও পতিত হয়। এনে ব্যৱহাৰ কৰিবৰ কাৰো নৈতিক অধিকাৰ নাই।

অস্পৃশ্যতা এটি ব্যক্তিগত দোষ।—ইয়াকে জাতিগত কৰি কোনো এটি জাতিক চিৰদিনলৈ অস্পৃশ্য কৰি ৰাখিবৰো কোনো যুক্তিযুক্ত হেতু দেখা নাযায়। সেই কাৰণে মান্ধাতাৰ দিনৰ জাতিৰ উচ্চতা বা নীচতা অনুসাৰে কোনো জাতিক স্পৃশ্য বা অস্পৃশ্য নাইবা আচৰণীয় বা অনাচৰণীয় কৰি ৰাখিব খোজা নিতান্ত অন্যায়। তাৰ সলনি সকলো জাতিৰে অপৱিত্ৰ, অনাচাৰী, দুশ্চৰিত্ৰ আৰু কুৎসিত-ৰোগগ্ৰস্ত লোকৰ সংসৰ্গৰ বিষয়ে সাৱধান হবলৈ মানুহক শিক্ষা দিব লাগে আৰু সদাচাৰী হিন্দু মাত্ৰকে জলাচৰণীয় কৰিবলৈ যত্ন কৰিব লাগে।

ৰক্ষণশীলসকলে আৰু এটি কথা ভাবি চোৱা উচিত। যিমানেই হীন, যিমানেই অনাচাৰী, যিমানেই অপৱিত্ৰ নহওক —কোনো হিন্দুৱে দেৱ-দেৱীৰ মন্দিৰত প্ৰবেশ কৰিলে নাইবা দেৱ-দৰ্শন কৰিলে দেৱ, দেৱী বা মন্দিৰ কেতিয়াও অশুদ্ধ বা অপৱিত্ৰ হব নোৱাৰে। বিশেষতঃ যাইকৈ অশুচি, পাপী, তাপী আৰু দীন-হীনৰ মুক্তিৰ কাৰণেহে দেৱ-দেৱী, মন্দিৰ আৰু তীৰ্থাদিৰ প্ৰয়োজন।

উল্লিখিত কথা মনত ৰাখি নিজৰ প্ৰতি আনে যেনে ব্যৱহাৰ কৰিলে তেওঁলোকে সন্তোষ পায় আনৰ প্ৰতিও তেনে ব্যৱহাৰ কৰি চলিলে জাতি-ভেদ মানি চলা লোকসকলক কোনোৱে ন্যায়মতে কোনো দোষ দিব নোৱাৰে। আৰু এনেদৰে চলিলে যে জাতি-ভেদ অক্ষুণ্ণ থাকিব পাৰে—তাতো সন্দেহ নাই।

উগ্ৰপন্থী

(The Extremists).

দ্বিতীয় শ্ৰেণীৰ লোকক উগ্ৰপন্থী বুলিব পাৰি। এই শ্ৰেণীৰ লোকৰ সংখ্যা সমাজত বৰ বেছি নহয়। যি অলপ আছে তাৰ ভিতৰতো প্ৰকৃত উগ্ৰপন্থী অৰ্থাৎ মতৰ সৈতে মিল ৰাখি চলিব পৰা লোকৰ সংখ্যা বৰ কম। মুখে-পেটে সমান, নিৰ্ভীক আৰু উদাৰ যিসকল জাতি নমনা সদাশয় লোক আছে তেওঁলোকৰ সৈতে কাৰো বিৰোধৰ কাৰণ নাই। কিন্তু যিসকলে মুখত জাতি নামানে অথচ কাৰ্য্যৰ সময়ত জাতিৰ পক্ষপাতী, যি সকলে অশৌচ, শ্ৰাদ্ধ নাইবা বিবাহাদিৰ সঙ্কট সময়ত নীৰৱে ৰোল অনাই জাতিৰ আৰু জাতি-ভেদৰ পূজা কৰি উঠি সঙ্কট পাৰ হলেই জাতি নমনা বীৰ পুৰুষ হয় আৰু যিসকলে জাতি মনা সকলক কাপুৰুষ বা কুসংস্কাৰী বুলি আনন্দ অনুভৱ কৰে—সেইসকলৰ আচৰণ প্ৰশংসনীয় বোলা টান। দুখৰ বিষয় বৰ্ত্তমান শিক্ষিত সমাজত এই শ্ৰেণীৰ মানুহৰ সংখ্যা তেনেই কম নহয়।

সমাজৰ আৱশ্যকতা—মানুহক নিৰ্দ্দিষ্ট আচাৰ-ব্যৱহাৰ, ৰীতি-নীতিৰ তলত ৰাখি সংযমৰ ভিতৰেদি নীতিৰ পথত স্থিৰ ৰাখি আধ্যাত্মিক উন্নতিত আগ বঢ়াই দিয়া সমাজৰ মুখ্য কাৰ্য্য। সেই কাৰণেই প্ৰত্যেক ধৰ্ম্মৰ লোকে নিজৰ আৰু নিজ পৰিয়ালৰ হিতৰ অৰ্থে এটি সমাজ-ভুক্ত হৈ সেই সমাজৰ নিৰ্দ্দিষ্ট ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু শাসন মানি চলে আৰু সমাজ কলুষিত হলে শুধৰাই লয় নাইবা আৱশ্যক হলে নতুন সমাজ সৃষ্টি কৰে।

জাতি নমনা সকলকো শৃঙ্খলাবদ্ধ সমাজ লাগে। এজনৰ জাতি মানি চলিবৰ যেনে অধিকাৰ আছে জাতি নামানিবৰো আন এজনৰ তেনে অধিকাৰ আছে। কিন্তু সেই বুলি জাতি নমনা সকলে পুৰণি সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ তেনেই দলিয়াই পেলাই সমাজ-বন্ধন ছেদ-ভেদ কৰি বিনা সমাজে নাইবা নিজ নিজ মনে ধৰা অনিৰ্দ্দিষ্ট দুই চাৰিটা কিবা-কিবি নিয়ম পালি বা নাপালি জাতি নমনা নাম লৈ উদাসীন-ভাৱে চলা কিমান দূৰ যুক্তিসঙ্গত তাক গভীৰ ভাৱে ভাবি চোৱা উচিত। মনত ৰখা উচিত যে নৈতিক শিক্ষাত উন্নত সকলৰ কাৰণে নহলেও, অন্ততঃ সৰ্ব্ব সাধাৰণৰ নৈতিক মঙ্গলৰ অৰ্থে শৃঙ্খলাবদ্ধ সমাজ অপৰিহাৰ্য্য। আৰু সেই কাৰণেই মহাপুৰুষ সকলেও লোক-সংগ্ৰহৰ নিমিত্তে সমাজৰ শাসন মানি চলে। এনে স্থলত জাতি নমনা সকলে জাতি-ভেদ-মূলক বৰ্ত্তমান হিন্দু-সমাজৰ অৱস্থাৰ প্ৰতি উদাসীন হৈ নাইবা কোনো এটি

শৃঙ্খলাবদ্ধ মনোমত সমাজ নাপাতি বিনা সমাজে চলা কিমানদূৰ যুক্তিযুক্ত—তাক ধীৰভাৱে ভাবি চোৱা উচিত।

সংস্কাৰ-পন্থী
(The Reformists.)

তৃতীয় শ্ৰেণীৰ লোকক সংস্কাৰ-পন্থী বোলা উচিত। এওঁবিলাকে জাতিক 'বলে নোৱাৰা শিল' বুলি ভাবে আৰু সেই দেখি 'পৰি নমস্কাৰ' কৰি কাৰ্য্য সিদ্ধি কৰিবলৈ লাজ নকৰে। এওঁলোকে জানে—জাতি-ভেদৰ বহুতো দোষ আছে; কিন্তু তেওঁবিলাকে ইয়াকো জানে যে ইয়াৰ ধ্বংস শীঘ্ৰে নঘটে আৰু কেতিয়া যে ঘটিব তাৰো স্থিৰতা নাই। কেতিয়াবা কোনো মহাপুৰুষে জাতি-ভেদৰ ভেটিত ভবিষ্যতৰ উপযোগী কোনো নতুন উন্নত সমাজ গঢ়া দেখিলে তেওঁলোকে আনন্দ পাব। কিন্তু যেতিয়ালৈ কোনো নতুন উন্নত সমাজ সৃষ্ট নহয় তেতিয়ালৈ এওঁবিলাকে বৰ্ত্তমান সমাজতে জাতিৰ সদ্ব্যৱহাৰ কৰিব খোজে। এওঁবিলাকে ভাবে—পুৰণি ঘৰ ভাঙ্গি নতুন ঘৰ সজাব নোৱাৰিলে পুৰণি ঘৰকে মেৰামত কৰি বাসৰ উপযোগী কৰা লাজৰ কথা নহয়। সেই কাৰণে এওঁবিলাকৰ লক্ষ্য হৈছে—What cannot be ended must be mended.—যাক ধ্বংস কৰিব নোৱাৰি তাক সংস্কাৰ কৰি ব্যৱহাৰৰ উপযোগী কৰিব লাগে। এওঁবিলাকৰ চিন্তাৰ বিষয় হৈছে—জাতি-বিভাগৰ দোষবিলাক শুধৰাই ইয়াক নিৰ্ব্বিষ কৰি সমগ্ৰ হিন্দুসমাজৰ উন্নতিৰ অনুকুল কৰা যায় কেনেকৈ আৰু জাতি-ভেদৰ ভিতৰতে থাকি হিন্দুসমাজৰ সকলো

জাতিৰ আৰু স্তৰৰ লোককে উচ্চ আৰু স্বাধীন ভাৱৰ দ্বাৰা অনুপ্ৰাণিত কৰি প্ৰকৃত মানুহৰ দৰে মূৰ দাঙ্গি থিয় হবলৈ শক্তি দিয়া যায় কেনেকৈ।

এই শ্ৰেণীৰ লোকে জাতি-ভেদৰ উচ্চ-নীচ বিচাৰৰ খুন্দাত আধা-মৰা হৈ পৰি থাকিব নাইবা সমাজৰ পৰা দূৰৈত গৈ শাস্তি বিচাৰিব নোখোজে। এওঁবিলাকে সমাজৰ অন্যায় অসঙ্গত বিচাৰ কান্ধ পাতি লবলৈ নাইবা মান্ধাতাৰ দিনৰ মনুষ্যত্ব-নাশকাৰী যি কোনো আচাৰ-ব্যৱহাৰ বা বিধি-ব্যৱস্থাকে বেদ বুলি মানি লৈ বৰ্ত্তমান স্বাধীন চিন্তাৰ যুগত নতশিৰ হৈ জীৱন-যাপন কৰিবলৈ প্ৰস্তুত নহয়।

শিক্ষিতৰ কৰ্ত্তব্য।

প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ কৰ্ত্তব্য আৰু অকৰ্ত্তব্যৰ বিষয়ে ওপৰত কিঞ্চিৎ কোৱা হৈছে। আৰু অধিককৈ বিশেষ একো নকলেও চলে। কিন্তু তৃতীয় বা সংস্কাৰপন্থীসকলৰ কৰ্ত্তব্য আৰু কাৰ্য্য পদ্ধতিৰ বিষয়ে চিন্তা কৰাৰ বিশেষ প্ৰয়োজন হৈছে। কাৰণ বৰ্ত্তমান কালত ভাৰতৰ প্ৰায় সকলো ঠাইতে এই শ্ৰেণীৰ লোকৰ কাৰ্য্য (activity) বিশেষভাৱে দেখা গৈছে। আৰু আমি পছন্দ কৰোঁ বা নকৰোঁ প্ৰায় প্ৰত্যেক জাতিয়ে যে স্বতন্ত্ৰ-ভাৱে এই ক্ষেত্ৰত নামিবই—তাতো সন্দেহ নাই। আজি সেই দেখিয়ে আমি ভাৰতৰ যিপিনে চাওঁ সেইপিনে নানা জাতিৰ নিজ নিজ জাতীয় সভা, সমিতি আৰু সম্মিলন আদি দেখিবলৈ পাওঁ।

কিন্তু সকলো জাতিয়ে নিজ নিজ জাতি আৰু দেশৰ প্ৰকৃত উন্নতিৰ পথ দেখুৱাই দিবলৈ উপযুক্ত উদাৰ নেতাৰ সাহায্য আৰু পৰামৰ্শ পাইছে বোলাহে টান। আৰু উপযুক্ত নেতাৰ অভাৱত কেতিয়াবা যে এই বিলাক জাতীয় অনুষ্ঠানে স্বজাতিৰ আৰু লগতে দেশৰো অহিত সাধিব পাৰে—তাতো সন্দেহ নাই। .সেই কাৰণে এই সংস্কাৰ-পন্থী সকলৰ কৰ্ত্তব্য আৰু কাৰ্য্য প্ৰণালীৰ বিষয়ে চিন্তা কৰা আৰু বিভিন্ন জাতিৰ আগত উজ্জ্বল আৰু উচ্চ আদৰ্শ দাঙ্গি ধৰি প্ৰীতি, মিলন আৰু উন্নতিৰ পথত প্ৰত্যেক জাতিকে আগ বঢ়াই দি দেশ-সেৱাত নিযুক্ত কৰিবলৈ যত্ন কৰা—দেশ-হিতৈষী প্ৰত্যেক নেতাৰে প্ৰধান কৰ্ত্তব্য।

জাতীয় অনুষ্ঠানবিলাক ঘৃণাৰ পাত্ৰ নে?

(Are Caste Organisations to be despised ?)

দুখৰ বিষয়—শিক্ষিতৰ ভিতৰত বহুতে এই জাতীয় অনুষ্ঠান বিলাকক ঘৃণা আৰু অৱজ্ঞাৰ চকুৰে দেখে। তেওঁলোকে এই বিলাক অনুষ্ঠান স্বাৰ্থ-যুক্ত, ক্ষুদ্ৰ আৰু সঙ্কীৰ্ণ মনৰ লোকৰ কাৰ্য্য বুলি ভাবে আৰু এই বিলাকৰ পৰা হিন্দু সমাজত নানা নতুন জাতিৰ সৃষ্টি হব আৰু জাতিবিলাকৰ ডাঙ্গৰ-সৰু ভাৱ উঠিলে সমাজত অশান্তি আৰু অনৈক্যৰ সূত্ৰপাত হব বুলি আশঙ্কা কৰে। আমাৰ মতে এই আপত্তিৰ কোনো মূল্য নাই। হিন্দু-সমাজত জাতিৰ লেখ দিয়া সহজ নহয়। গতিকে কেতিয়াবা যদি এটা বা দুটা নতুন জাতিৰো সৃষ্টি হয়, তাৰ কাৰণে বিশেষ

চিন্তাৰ কাৰণ নাই। কাৰণ—'যাহা বায়াম্ন তাহা তেপান্ন'। সেইদৰে শান্তি-ভঙ্গ আৰু অনৈক্যৰ ভয়বো চিন্তা মিছা। কিয়নো নতুনকৈ ভাঙ্গিবলৈ জাতি-ভেদে শান্তিৰ বা মিলনৰ কিবা ৰাখিছে বোলাও সহজ নহয়। যি আছে সি প্ৰীতিৰ পৰা জন্মা প্ৰকৃত মিলন নহয়। সি দুৰ্ব্বিল, ভীৰু, উপায়বিহীনৰ তামসিক ভাৱৰ পৰা জন্মা মিলনৰ ছায়া মাত্ৰ। সমানৰ ভিতৰত, পৰস্পৰৰ প্ৰতি সম্মান আৰু প্ৰীতিৰ ভাৱৰ পৰা জন্মে যি মিলন—সেই মিলন স্থায়ী, সেই মিলন স্বৰ্গীয় ;—কিন্তু অসমানৰ, উচ্চ-নীচৰ, প্ৰভু-ভৃত্যৰ নাইবা ঘৃণক-ঘৃণিতৰ ভিতৰত যি মিলন সি মিলন নহয়—সি 'মেকী' মিলন। তাৰ সমাজ-ৰক্ষাৰ কোনো শক্তি নাই—সি ক্ষণভঙ্গুৰ। গতিকে এইবিলাক অনুষ্ঠানৰ কাৰ্য্য-কাৰণত যদি কেতিয়াবা কোনো জাতিৰ ভিতৰত বাদ-বিসম্বাদো জন্মে—তাৰ কাৰণে কুণ্ঠিত হোৱা অনুচিত। কাৰণ দুদিনৰ মূৰত ইটোৱে সিটোৰ বেদনা বুজি পালে সেই বিৰোধৰ ঠাই প্ৰকৃত প্ৰীতিয়ে অধিকাৰ কৰিব—তাত সন্দেহ নাই।

আৰু এটি কথা,—স্বজাতীয় সকলৰ প্ৰকৃত আপত্তি-অভিযোগৰ কাৰণ নথকা স্বত্বেও কেৱল নিজ জাতিটোক অন্য জাতিৰ ওপৰত তুলি দিবলৈ যত্ন কৰিছে বুলি জাতিৰ আন্দোলন কৰোঁতা সকলক সংক্ষেপে দোষী সাব্যস্থ কৰাও উচিত নহয়। কাৰণ তেওঁলোকৰ বহুতে জানে যে, গুণহীনে জোৰ কৰি সমাজত উচ্চ হব নাইবা শ্ৰদ্ধা পাব নোৱাৰে। তেওঁবিলাকে জানে—কেনে হীন আৰু হেয় সামাজিক অৱস্থাত পৰি স্বজাতীয় সকল

মনুষ্যত্বৰ গৌৰৱময় শক্তিৰ পৰা বঞ্চিত হবলৈ ধৰিছে। তেওঁলোকে সেই কাৰণে সামাজিক অৱজ্ঞা আৰু অৱহেলাৰ হীন অৱস্থাৰ পৰা তুলি স্বজাতীয় সকলক আত্ম-সম্মানৰ দ্বাৰা অনুপ্ৰাণিত কৰি সেইসকলৰ হৃদয়ত মনুষ্যত্বৰ ভাৱ জাগ্ৰত কৰিব খোজে। সকলোৱে ভাষাৰে এই উদ্দেশ্য ব্যক্ত নকৰিব পাৰে—কিন্তু সকলো জাতীয় আন্দোলনৰ মূলত যে এই ভাৱ নিহিত আছে—তাত অলপো সন্দেহ নাই। আৰু সেই কাৰণেই আমি এই বিলাক আন্দোলনৰ পক্ষপাতী।

জাতিৰ উন্নতিয়ে দেশৰ উন্নতি।

(Manly Castes may make a manly Nation.)

নিজ নিজ উন্নতিৰ সুবিধাৰ কাৰণে কেবাজনো লোক মিলি একেলগে বাস কৰি এক এক ঘৰ গৃহস্থৰ সৃষ্টি কৰে। তেনে কেইটিমান গৃহস্থ গোট খাই এখন গাওঁ পাতে। কেবাখনো গাওঁ লগ লাগি এখন মৌজা, কেবাখনো মৌজা মিলি এখন জিলা, শেষত কেবাখনো জিলা মিলি একোখন দেশৰ সৃষ্টি কৰে। পিছত দেশৰ উন্নতি বুলিলে, আমি বুজো কি? দেশৰ উন্নতি বুলিলে গৃহস্থসকলৰ উন্নতি বুজায়। যি দেশৰ সৰহ ভাগ গৃহস্থ শিক্ষিত, বল-বীৰ্য্যশালী আৰু ধনী সেইখন দেশ সভ্য—সেই দেশেই উন্নত। সেই কাৰণে দেশৰ নেতাসকলে দেশৰ উন্নতিৰ অৰ্থে গৃহস্থসকলৰ শ্ৰীবৃদ্ধিৰ দিহা কৰে।

আমাৰ হিন্দু-সমাজখনো অসংখ্য জাতিৰ দ্বাৰা গঠিত।

একোটি জাতি এটি এটি গৃহস্থৰ নিচিনা। প্ৰত্যেক জাতিকেই এটি এটি স্বতন্ত্ৰ দল বুলিব পাৰি। যদিও ইজাতি সিজাতিৰ ভিতৰত মিলনৰ ঠাই আছে, তথাপি প্ৰকৃতপক্ষে সামাজিক কাৰ্য্যৰ বেছি ভাগেই ভিন ভিন জাতিৰ জাতীয় সমাজ-তন্ত্ৰৰ দ্বাৰা পৰিচালিত হয়। এনেস্থলত প্ৰত্যেক জাতিকে নিজ নিজ জাতীয় সমাজৰ জৰিয়তে উন্নতিৰ বাটত আগ বাঢ়িবলৈ উপদেশ দিলে, সকলো জাতিকে উমৈহতীয়াভাৱে দিয়া সাধাৰণ আদেশতকৈ বেছি ফলৱতী হব বুলি আশা কৰিব পাৰি। বিশেষতঃ স্বজাতীয় সমাজৰ আদেশ মানুহে সহজে শিৰোধাৰ্য্য কৰে। ইত্যাদি কাৰণে দেশ-হিতকৰ কথা আৰু জাতীয় উন্নতিৰ কথা বিভিন্ন জাতীয় অনুষ্ঠানৰ সহায়েৰে সমাজত বিস্তাৰ কৰিবলৈ চেষ্টা কৰা বেয়া নহয়। ভাৰতৰ উন্নতিৰ কাৰণে হিন্দুসকলৰ উন্নতি অপৰিহাৰ্য্য। কিন্তু হিন্দুসমাজৰ উন্নতি হিন্দুৰ বিভিন্ন জাতিৰ উন্নতিৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে অন্ততঃ ভাৰতৰ হিতৰ কাৰণে হিন্দুৰ জাতিবিলাকৰ উন্নতিৰ বিষয়ে দেশ-নেতা-সকলে মনযোগ দিয়া উচিত। বৰ্ত্তমান সময়ত হিন্দু সমাজৰ অধিক সংখ্যক মানুহ অনুন্নত বা নিম্ন (depressed) জাতিৰ অন্তৰ্গত। সেই কাৰণে এই নিম্ন জাতিৰ লোকৰ উন্নতিৰ প্ৰতি-যত্ন নকৰি উচ্চ জাতিৰ কেইটামান মুষ্টিমেয় লোকৰ উন্নতিৰ দ্বাৰা হিন্দু-সমাজৰ বা ভাৰতৰ উন্নতি আশা কৰা বিড়ম্বনা মাত্ৰ। সেই কাৰণেই দেশ-নেতাসকলে এই অনুন্নত বা নিম্ন জাতিৰ ভাই-সকলৰ শিক্ষা-দীক্ষা, বল-বীৰ্য্য আৰু আত্ম-সম্মান-বোধ বঢ়াবৰ

কাৰণে যত্ন কৰা উচিত। আৰু বিভিন্ন জাতিৰ শিক্ষিতসকলে আত্ম-শিক্ষাতে তুষ্ট আৰু নিজ গৌৰৱবৃদ্ধিতে ব্যস্ত নাথাকি স্বজাতীয় পশুভাৱত পৰিতুষ্ট ভাইসকলক মনুষ্যত্বত উন্নত কৰিবলৈ যত্ন কৰা কৰ্ত্তব্য। তাকে কৰিব পাৰিলে, প্ৰত্যেক জাতিকে উদাৰ আৰু উন্নত কৰিব পাৰিলে—হিন্দু-সমাজ হৃষ্ট-পুষ্ট, বলিষ্ঠ আৰু সংগঠিত হব আৰু আত্ম-সম্মান-বোধৰ দ্বাৰা অনুপ্ৰাণিত, শক্তিমন্ত, পৰাক্ৰমশালী জাতিসমূহে মিলি ভাৰতমাতাৰ মুখ উজ্জ্বল কৰিব।

জাতিৰ উন্নতিৰ পথ-প্ৰদৰ্শক কেইটামান সাধাৰণ সঙ্কেত।

ওপৰত দেশৰ উন্নতিৰ কাৰণে জাতিৰ উন্নতিৰ আৱশ্যকতাৰ বিষয়ে কিঞ্চিৎ আলোচনা কৰা হৈছে। এতিয়া কি প্ৰণালী বা লাইনেৰে পৰিচালিত হলে জাতিৰ উন্নতিয়ে দেশৰ উন্নতিত পৰিণত হব পাৰে—তাৰে কেইটামান সাধাৰণ সঙ্কেত তলত দিয়া গল।

(১) প্ৰত্যেক জাতিৰ উন্নতি নিজ যত্নৰ ওপৰত নিৰ্ভৰ কৰে।

(The uplift of a caste depends on its own exertions.)

আত্ম-নিৰ্ভৰতা সকলো কাৰ্য্য-সিদ্ধিৰ মূল মন্ত্ৰ। হিন্দু-সমাজৰ কোনো এটি জাতিক আন এটি জাতিয়ে ওপৰলৈ তুলি দিয়া সহজ নহয়। কিয়নো কোনো এটি জাতি উন্নত হব

PLEASE HANDLE THE BOOK CAREFULLY.

লাগিলে সেই জাতিৰ লোকে স্বজাতিৰ নানা দোষ-দুৰ্ব্বলতা ত্যাগ কৰি বিবিধ উচ্চ গুণৰ অধিকাৰী হব লাগে। কিন্তু সেই কাৰ্য্য যাইকৈ স্বজাতীয় লোকৰ অদম্য উৎসাহ আৰু পুৰুষাৰ্থৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে আত্ম-নিৰ্ভৰতা অৱলম্বন কৰি স্বজাতিৰ উন্নতি কৰিবলৈ চেষ্টা নকৰি বিধাতাৰ আশীৰ্ব্বাদ নাইবা উচ্চ জাতিৰ আশ্বাস-বাক্যৰ ওপৰত নিৰ্ভৰ কৰি বহি থকা বুদ্ধিমানৰ কাৰ্য্য নহয়। সুখৰ বিষয়—এই সত্য অনুসৰণ কৰি আজি ব্ৰাহ্মণৰে পৰা আৰম্ভ কৰি হিন্দু-সমাজৰ ডাঙৰ সৰু প্ৰায় সকলো জাতিয়ে স্বতন্ত্ৰ সমাজ-সম্মিলন পাতি আনৰ মুখলৈ বাট নাচাই নিজ নিজ জাতিৰ উদ্গতিৰ কাৰণে যত্ন কৰিবলৈ ধৰিছে। ইয়াক হিন্দু-সমাজৰ উন্নতিৰ এটি শুভ লক্ষণ বুলি আমি ভাবোঁ।

(২) জাতিৰ উত্থান পতন জাতিৰ নিজ ইচ্ছাধীন।

(The rise or fall of a caste depends on its own will or indifference.)

অদম্য আগ্ৰহ আৰু প্ৰবল পুৰুষাৰ্থৰ বলত অতি সামান্য লোকেও সমাজত বিশিষ্টৰ যোগ্য মান-সম্মান আৰু আদৰ পায়। হীন বংশৰ কত লোকে ধৈৰ্য্য আৰু সাহস বুকুত বান্ধি পুৰুষাৰ্থৰ বলত সমাজত কিদৰে নিতৌ প্ৰতিপত্তি আৰু সম্মানৰ উচ্চ স্থান অধিকাৰ কৰিব ধৰিছে তাৰ লেখ কোনে দিব পাৰে? সেই একে

কথায়ে জাতিৰ উন্নতিতো খাটে। প্ৰবল আগ্ৰহ আৰু যত্নৰ বলত বৰ্ত্তমান কালতে যে বহুতো নিম্ন স্তৰৰ জাতিয়ে উচ্চ স্থান লাভ কৰিব ধৰিছে—তাক কোনে নাজানে? একে জাতিৰ লোকেই এঠাইত বিশেষ সম্মান পায় অথচ আন এঠাইত সেই জাতিৰ লোকেই হেয় ব্যৱহাৰ লাভ কৰে। ইয়াৰ কাৰণ কি? তাৰ কাৰণ—এঠাইৰ লোকে সাহ কৰি আগ বাঢ়ি গৈ পুৰুষাৰ্থৰ বলত উচ্চ স্থান অধিকাৰ কৰিছে আৰু আন ঠাইৰ সকলে লাজে ভয়ে পিছ পৰি থাকোঁতে তল পৰি গৈছে। জাতীয় আন্দোলন কৰোঁতা সকলে এই সত্য মনত ৰাখি চলা ভাল।

(৩) হিন্দু-সমাজৰ জাতিবিলাক গুণানুসাৰে শ্ৰেণীবদ্ধ হোৱা নাই।

(The Gradation of Castes has not been done according to merits.)

হিন্দুৰ জাতি-ভেদৰ মূল—ব্যৱসায় বা বৃত্তি (occupation)। এটি এটি বৃত্তি বা ব্যৱসায় অনুসাৰে এটি এটি জাতিৰ উৎপত্তি হৈছে আৰু ব্যৱসায়ৰ বৃদ্ধিৰ লগে লগে জাতিৰ সংখ্যা ক্ৰমশঃ বৃদ্ধি পাইছে। কিন্তু ব্যৱসায়ৰ ডাঙৰ-সৰু নিৰ্ণয় কৰা টান। কিয়নো সৎ আৰু শিষ্টভাৱে পৰিচালিত, যিমান সামান্যই নহওক কোনো ব্যৱসায় হীন হব নোৱাৰে। ব্যৱসায়ৰ উচ্চ-নীচতা ধন বা ক্ষমতাৰ ওপৰত নিৰ্ভৰ নকৰে। গতিকে মানুহৰ

ব্যৱসায়বিলাক উচ্চ-নীচভাৱে শ্ৰেণীবদ্ধ কৰিব নোৱাৰি। ঠিক সেই কাৰণেই ব্যৱসায়মূলক হিন্দুৰ জাতিবিলাককো ডাঙ্গৰ-সৰু বা উচ্চ-নীচভাৱে যে শ্ৰেণীবদ্ধ কৰিব নোৱাৰি—তাক কোৱা নিষ্প্ৰয়োজন। ভাগ্যক্ৰমে আমাৰ জাতি-মালাবিলাক মাত্ৰ এটি জাতিৰ দ্বাৰা ৰচিত। সকলো জাতিয়ে জাতি-মালা লিখিব আৰম্ভ কৰিলে জাতিৰ উচ্চ-নীচতা লৈ যে চেটেলমেণ্টৰ সময়ৰ মাটিৰ শ্ৰেণী-বিভাগৰ বেমেজালিতকৈ সহস্ৰগুণে প্ৰবল বেমেজালিৰ ৰোল উঠিব—তাত অলপো সন্দেহ নাই।

উল্লিখিত কাৰণে জাতি-মালাৰ নিৰ্দ্দিষ্ট বিভাগমতে জাতিৰ ডাঙ্গৰ-সৰু বিচাৰ কৰা কিমান দূৰ যুক্তিসঙ্গত,—তাক হিন্দু-মাত্ৰেই বিবেচনা কৰা উচিত। আমাৰ মতে কোনো জাতিৰ উচ্চতা বা নীচতা বিচাৰ কৰিব লাগিলে সেই জাতিৰ অধিক সংখ্যক লোকৰ আচাৰ-ব্যৱহাৰ, শিক্ষা-দীক্ষা, শৌৰ্য্য-বীৰ্য্য আৰু চৰিত্ৰৰ দ্বাৰা মীমাংসা কৰিব লাগে। তাকে কৰিব পাৰিলে—জাতি-মালাৰ ক্ৰমিক নম্বৰৰ অলিক উচ্চতাৰ দ্বাৰা উচ্চ বা শ্ৰেষ্ঠ হোৱাৰ ভ্ৰান্ত আশা আৰু বিশ্বাস লোপ পাব, জাতি-বিভাগ নিৰ্ব্বিষ হব আৰু সমস্ত জাতিয়ে গুণৰ দ্বাৰা শ্ৰেষ্ঠ হবলৈ যত্ন কৰিব।

(৪) জাতিত উচ্চ হব খুজিলে উচ্চ গুণৰ অধিকাৰী হব লাগে।

গন্ধহীন মদাৰৰ ৰঙ্গা ফুলে মানুহৰ মন মুগ্ধ কৰা টান। মানুহে গুণৰ পূজা কৰে। সেই কাৰণে সমাজত কেৱল উচ্চ নাম

বা উপাধি লৈ বহিলেই আদৰ পোৱাৰ আশা কম। গুণৰ দ্বাৰা মুগ্ধ কৰি সমাজৰ আদৰ লাভ কৰিব লাগে। নহলে উচ্চ জাতিৰ নামে বা পদবীয়ে কাকো বেছি দিন সমাজত ওখকৈ ৰাখিব নোৱাৰে। সেই কাৰণে বহু উচ্চ জাতিৰ আৰু উচ্চ বংশৰ লোকে গুণহীন হৈ সমাজত পূৰ্ব্বৰ দৰে আদৰ-সম্মান. নাপাই ক্ষুণ্ণ হব ধৰিছে আৰু আনক উদ্ধত বুলি ভাবি অনাহকতে কষ্ট পাব লাগিছে। হিন্দু-সমাজত গুণ অনুসাৰে জাতিৰ উত্থান-পতন সততে হৈ আহিছে। সেই কাৰণেই এদিন হিন্দু-সমাজত ক্ষত্ৰিয় বিশ্বামিত্ৰই ব্ৰাহ্মণত্বত প্ৰতিষ্ঠিত হৈ মন্ত্ৰ-মুকুট-মণি গায়ত্ৰী জগদ্‌বাসীক দান কৰিব পাৰিছিল। গুণ আৰু যত্নৰ বলত-আজিও উচ্চ স্থান অধিকাৰ কৰা জাতিৰ সংখ্যা বিৰল নহয়। কিন্তু দুখৰ বিষয়,—গুণৰ দ্বাৰা বিভূষিত হৈ উচ্চ স্থান অধিকাৰ কৰিবৰ প্ৰবল আগ্ৰহ থকা লোকৰ হে অভাৱ।

(৫) দাবী নকৰিলে সামাজিক অধিকাৰ পোৱা টান।

(Bold demand is necessary for obtaining social rights.)

হিন্দু-সমাজৰ বহুত লোক অনুন্নতৰ শ্ৰেণীত পৰি আছে। তাৰে ভিতৰত বহুতে যে গুৰু-গোসাই আৰু ওপৰ শ্ৰেণীৰ লোকৰ পৰা উপযুক্ত ব্যৱহাৰ পাইছে,—তেনে কথা কোনোৱে ভাঠকৈ কব নোৱাৰে। কত কাকুতি-মিনতি, কত আবেদন-নিবেদন

আৰু কত দান-দক্ষিণা যে তেওঁলোকে কৰিছে—কেৱল মাত্ৰ মানুহৰ যোগ্য আচৰণ পাবলৈ—কেৱল মাত্ৰ জলাচৰণীয় কৰিবলৈ—তাৰ অন্ত নাই। কিন্তু হায়! তাৰ কিবা ফল ধৰা বুলিব পাৰি নে?

সমাজৰ লোকৰ হৃদয় মাতৃৰ হৃদয়ৰ দৰে কোমল নহয়। সমাজ নানা প্ৰকৃতিৰ লোকৰ সমষ্টি। ই কান্দোন-কাটোনত সহজে নলৰে। ই শক্তৰ ভক্ত আৰু নৰমৰ যম—বুলিলেও অন্যায় কোৱা নহয়। গতিকে শক্তভাৱে মানুহৰ দৰে ঠিয় হৈ দাবী কৰি সামাজিক অধিকাৰ লাভ নকৰিলে—ইয়াৰ হাতৰ পৰা কাতি হৈ পৰি কাকুতি-মিনতিৰ দ্বাৰা ফল পোৱা বা কাৰ্য্য-সিদ্ধি কৰা টান। ইয়াকে যিসকলে বুজিছে তেওঁলোকে সাহসৰ ওপৰত নিৰ্ভৰ কৰি স্বজাতিৰ সামাজিক অধিকাৰ সহজে আদায় কৰি লৈছে। তাৰ দৃষ্টান্ত বিৰল নহয়। কিন্তু সদায় মনত বাঁধিব লাগে,—যেন কেতিয়াও অন্যায় আৰু অসঙ্গত দাবী কৰা নহয়। অন্যায় দাবী কৰা লোকে বহুত সময়ত ন্যায্য দাবীৰ পৰাও বঞ্চিত হয়। আৰু তেনে স্থলত উচ্চ জাতিৰ উদাৰ লোক সকলেও উপযুক্তৰূপে সাহায্য কৰাত বহুত অসুবিধা পায়।

আৰু এটি কথা মনত ৰখা ভাল। বহু কালৰ সংস্কাৰৰ তলত থকাৰ কাৰণে উচ্চ শ্ৰেণীৰ বহুতে এইবিলাক অধিকাৰ মঞ্জুৰ কৰাত টান পাব বা তেনেই অপাৰগ হব পাৰে। কিন্তু তাৰ কাৰণে হতাশ হোৱা অনুচিত। সবলভাৱে নিজ নিজ জাতিৰ দুখ-দৈন্য, অভাৱ-অভিযোগ ব্যক্ত কৰি ন্যায়মতে দাবী কৰিব

পাৰিলে—দুদিনৰ মূৰত সমাজে দাবী মঞ্জুৰ কৰিব। তাত সন্দেহ নাই।

(৬) স্বজাতিৰ দোষ-দুৰ্ব্বলতা দূৰ কৰা—জাতিৰ উন্নতি সাধনৰ প্ৰধান্ উপায়।

অকাৰণে কোনো এটি জাতি উপযুক্ত আদৰৰ পৰা বঞ্চিত হৈছে নাইবা হব পাৰে বুলি ধৰি লব নোৱাৰি। সেই দেখি সমাজত যথোচিত সম্মান নোপোৱা জাতিবিলাকে নিজ নিজ জাতিৰ দোষ আৰু দুৰ্ব্বলতা বিলাক বিশেষ ভাৱে ভাবি চিন্তি বিচাৰি উলিয়াই দূৰ কৰি স্বজাতিৰ সমাজ নিৰ্ম্মল কৰিবলৈ আৰু ধন-ঐশ্বৰ্য্য, জ্ঞান-গৰিমা, বল-বীৰ্য্য আৰু আচাৰ-ব্যৱহাৰৰ দ্বাৰা স্বজাতীয় লোকক বিভূষিত কৰিবলৈ যত্ন কৰা কৰ্ত্তব্য। তাকে নকৰিলে সামাজিক আদৰ-সম্মান পোৱাৰ আশা কম। কিয়নো দীন, হীন আৰু মলিনে কাকুতি-মিনতি বা দয়া-ভিক্ষাৰ দ্বাৰা জাতীয় উত্থানৰ আশা যে কৰিব নোৱাৰে—তাক কোৱা নিষ্প্ৰয়োজন।

(৭) নিজ জাতিক হীন বা তুচ্ছ জ্ঞান কৰা—দোষৰ কথা।

(Self-condemnation must be banished.)

দহ জনে সততে হীন বুলিলে নাইবা নিজক নিজে হীন বুলি ভাবিলে মানুহৰ অধ্যাত্মিক উন্নতিত ব্যাঘাত ঘটে। সেই দেখি

ঋষি সকলে প্ৰত্যেক মানুহকে ৰাতিপুৱাই স্মৰণ কৰিব কৈছে—'দেবোঽহম্ ন চান্যোস্মি।—আমি সকলো মানুহ দেৱতাৰ শ্ৰেণীৰ জীৱ—আমি সামান্য হীন প্ৰাণী নহওঁ।' কিন্তু হায়! তথাপি আমি কত জনে নিজক নিজে হেয় কীট-পতঙ্গৰ শ্ৰেণীৰ জীৱ বুলি ভাবোঁ আৰু আনে হেয় ব্যৱহাৰ কৰিলে প্ৰীতি ভিন্ন অসন্তোষৰ লেশ মাত্ৰ অনুভৱ নকৰোঁ। ধন, শিক্ষা, জাতি, বংশ নাইবা ক্ষমতাত সামান্য উচ্চ কোনো লোকৰ আগত মানুহৰ দৰে থিয় হব সাহ নকৰোঁ—পদে পদে সামান্য কথাতে আনৰ ভৰিত পৰিবলৈ লজ্জা বোধ নকৰোঁ। এনে স্বভাৱ মনুষ্যত্ব-নাশকাৰী।

আমি ব্যক্তিগত ভাৱে যে কেৱল এনে আচৰণ কৰোঁ তেনে নহয়। নিম্নস্তৰৰ বেছিভাগ জাতিৰেই মনৰ অৱস্থা প্ৰায় এনে ধৰণৰ। ই বৰ পৰিতাপৰ বিষয়। হিন্দু-সমাজৰ বেছিভাগ মানুহেই নিম্নস্তৰত পৰি আছে। সেই-সকলৰ মনত উচ্চ আকাঙ্ক্ষা, আত্ম-সম্মান আৰু মনুষ্যত্বৰ গৌৰৱৰ ভাৱ জাগ্ৰত নহলে—তেওঁলোকৰ মনৰ পৰা বৰ্ত্তমান দুৰ্ব্বলতা দূৰ কৰিব নোৱাৰিলে—হিন্দু-সমাজ সবল আৰু সতেজ হব বুলি কোনে আশা কৰিব পাৰে?

এতেকে জাতীয় নেতাসকলে স্বজাতীয়ৰ মনত অতীত গৌৰৱ, মনুষ্যত্বৰ মহত্ত্ব আদিৰ দ্বাৰা নিজ জাতিৰ প্ৰতি আদৰ আৰু সম্মানৰ ভাৱ জাগ্ৰত কৰি তেওঁবিলাকক স্বজাতিৰ গৌৰৱ আৰু উৎকৰ্ষ সাধনত নিযুক্ত কৰিবলৈ যত্ন কৰিব লাগে আৰু অন্য

জাতিয়ে যাতে স্বজাতিৰ প্ৰতি হেয় ভাৱ প্ৰকাশ নকৰে তাৰ বিষয়েও চিন্তা কৰিব লাগে।

(৮) অযোগ্যৰ প্ৰতি অযথা সম্মান— জাতিৰ উন্নতিৰ এটা প্ৰধান অন্তৰায়।

অপাত্ৰ আৰু অযোগ্য লোকক সৎপাত্ৰ আৰু যোগ্য পুৰুষৰ দৰে দান-দক্ষিণা আৰু আদৰ-সম্মান দান কৰিলে—সমাজৰ উন্নতিত ব্যাঘাত ঘটে। তাৰ পৰা গ্ৰহীতা অলস, অকৰ্ম্মণ্য আৰু আত্ম-সম্মানহীন হয় আৰু গ্ৰহীতাৰ সেই অধঃপতনত সাহায্য কৰাৰ কাৰণে দাতাও দোষভাগী হয়। সেইদৰে কেৱল উচ্চ জাতিত জন্মাৰ কাৰণে উচ্চ জাতিৰ লোক মাত্ৰকে অযথা সম্মান দেখুৱালে তেওঁবিলাক বিদ্যা-বুদ্ধি, গুণ-গৰিমা, ধন-ঐশ্বৰ্য্য আৰু চৰিত্ৰৰ দ্বাৰা বিভূষিত হৈ সমাজত আদৰ পাবলৈ যি কঠোৰ পৰিশ্ৰমৰ প্ৰয়োজন তাৰ প্ৰতি পৰাঙ্মুখ হয়। কথাতে কয়—গৃহে চ মধু বিন্দেত কিমৰ্থ-মৰণ্যং ব্ৰজেৎ? ঘৰতে মৌ মিলিলে বনলৈ কিয় যাব? গতিকে শিক্ষাৰ প্ৰতি আগ্ৰহ কমি যোৱাৰ লগে লগে সমাজত গুণীৰ সংখ্যা যে হ্ৰাস হব, তাত সন্দেহ নাই। এতেকে হিন্দু-সমাজৰ হিতৰ অৰ্থে প্ৰত্যেক হিন্দুকে জাতি নাইবা ব্যক্তি হিচাপে অযোগ্যৰ প্ৰতি অযথা সম্মান নেদেখুৱাবলৈ আৰু জাতি-কুল নিবিচাৰি সমাজৰ যি কোনো গুণী, জ্ঞানী আৰু চৰিত্ৰৱান লোকক সভা, সমিতি, মেল আদিত উপযুক্ত সম্মান দেখুৱাই সমাজত শৌৰ্য্য-বীৰ্য্য, গুণ-জ্ঞান আৰু চৰিত্ৰৰ পূজা প্ৰতিষ্ঠা কৰিবলৈ শিক্ষা

দিব লাগে। তাকে কৰিলে সমাজৰ পাপ নিম্নমুখী হব, পুণ্যৰ পবিত্র প্রতিভাৰ দ্বাৰা জাতি আৰু সমাজ উদ্ভাসিত হব, গুণৰ সৌৰভেৰে সমাজ-উদ্যান উৎফুল্ল হব আৰু জাতিভেদৰ উচ্চ-নীচ বিচাৰ-জনিত ঈর্ষা-ভাৱৰ ধ্বংসৰ লগতে জাতি-ভেদৰ তিক্ততা নাশ হব।

জাতিৰ শ্রেষ্ঠত্ব নির্ভৰ কৰে—কিহৰ ওপৰত ?

জাতীয় অনুষ্ঠানবিলাক কি লাইনে চলিলে হিন্দু-সমাজ সতেজ আৰু সংগঠিত হব পাৰে আৰু সকলো জাতিৰ লোকৰ মনত উচ্চ আকাঙ্ক্ষা, উদাৰ ভাৱ আৰু আত্ম-সম্মান-বোধ জাগিব পাৰে— তাৰ বিষয়ে ওপৰত আলোচনা কৰা হৈছে। এতিয়া কি কি গুণ আৰু শক্তিৰ অধিকাৰী হলে জাতিবিলাকে সমাজত শ্রেষ্ঠতা লাভ কৰিব পাৰে—সেই বিষয়ে চিন্তা কৰা যাক।

১। শৌর্য্য-বীর্য্য।

জাতিৰ শ্রেষ্ঠতা-সূচক লক্ষণবিলাকৰ ভিতৰত শৌর্য্য-বীর্য্য প্রধান। সিংহক পশুৰাজ বোলে। কাৰণ সিংহ অন্য পশুতকৈ অধিক সাহসী আৰু বলী। মানুহৰ ভিতৰতো যিজন আনতকৈ সাহসী আৰু বলী সেই জনেই সমাজত বিশেষ আদৰ পায়। সেই-দৰে জাতিৰ ভিতৰতো যি জাতিৰ বেছি ভাগ মানুহ শক্তিশালী, পৰাক্রমী সেই জাতিয়ে সমাজত আদৰ আৰু সম্মান পায়।

আমাৰ এই পৃথিবী অকল পৰকালৰ চিন্তাত ব্যস্ত, সংসাৰ-বিৰাগী, অহিংসা পৰম ধৰ্ম্ম—মন্ত্ৰ জপি নিৰামিষ ভোজন কৰি চকু মুদি জীৱন কটোৱা সাধু-সন্ন্যাসীৰ বাবে সৃষ্ট হোৱা নাই। পৃথিবী—যোগ্য-ভোগ্যা। পৃথিবীৰ ঐশ্বৰ্য্য-বিভূতি বীৰ আৰু শক্তিমন্তৰ ভোগৰ নিমিত্তে সৃষ্ট হৈছে। এনে স্থলত শৰীৰৰ অসীম শক্তি আৰু মনৰঅদম্য সাহসৰ দ্বাৰা যোগ্য হব নোৱাৰিলে সমাজত শ্ৰেষ্ঠ হোৱা দূৰৈৰ কথা, কোন জাতিয়ে আত্ম-ৰক্ষা কৰিব পাৰে? দুখৰ বিষয়, বৰ্ত্তমান কালত হিন্দু-সমাজৰ প্ৰায় জাতিয়ে শৌৰ্য্যবীৰ্য্য-বিহীন মৃতপ্ৰায় অৱস্থা প্ৰাপ্ত হৈছে। অভিমন্যুৰ উজ্জ্বল আদৰ্শ এৰি ধ্ৰুব আৰু প্ৰহ্লাদৰ নামৰ আশ্ৰয় লৈ ঘোৰ তামসিক তন্দ্ৰাৱস্থা প্ৰাপ্ত হৈছে। নিজৰ স্ত্ৰী, কন্যা বা ভগ্নীক দুৰ্ব্বৃত্তৰ হাতৰ পৰা ৰক্ষা কৰাৰ শক্তি আৰু সাহস পৰ্য্যন্ত লোপ পাইছে।

মানুহ শক্তিমন্ত হোৱাৰ প্ৰধান উপকৰণ—খাদ্য। প্ৰচুৰ পৰিমাণে ভেজাল নথকা পুষ্টিকৰ খাদ্য উপযুক্ত সময়ত ভোজন কৰিলে শৰীৰৰ তেজ-শক্তি বাঢ়ে। তাৰে বৈপৰীত্য বা পুষ্টিকৰ খাদ্যৰ অভাৱ ঘটিলে নাইবা বিষাক্ত বস্তু মিহলি ভেজাল বস্তু ভোজন কৰিলে শৰীৰ ধ্বংস হয়। শৰীৰৰ শক্তি নাশৰ আন এটি প্ৰধান কাৰণহৈছে—অতিৰিক্ত শুক্ৰপাত বা ব্ৰহ্মচৰ্য্যৰ অভাৱ। বৰ্ত্তমান কালত কি ছাত্ৰ, কি গৃহস্থ কোনোৱে শুক্ৰ ৰক্ষাৰ বিষয়ে উচিত মতে মনযোগ দিয়ে বুলি

ডাঠকৈ কোৱা টান। এই অৱহেলাৰ কাৰণে যে আমাৰ জাতীয় অধঃপতন ঘটিব ধৰিছে তাক কোনে অস্বীকাৰ কৰিব পাৰে? আমাৰ শাৰীৰিক শক্তি-নাশৰ আন এটি কাৰণ হৈছে—ভাং, আফিং, মদ, চুৰট, বিৰী আদি মাদক দ্রব্য-সেৱন। —এইবিলাক প্রত্যক্ষ বিহ। অথচ তাকে আমি ধন খৰছ কৰি অমৃত বুলি নিতৌ ব্যৱহাৰ কৰিব ধৰিছোঁ।

প্রত্যেক জাতিৰ নেতাসকলে এই ত্রিদোষৰ কিছু নহয় কিছু প্রতিকাৰ কৰিব পাৰে। তেওঁবিলাকে মন কৰিলে স্বজাতীয় সমাজৰ পৰা নানাপ্রকাৰ শান্তিপূর্ণ উপায়েৰে স্বজাতীয় সকলক ভাং, আফিং আদি মাদক দ্রব্যৰ পৰা ৰক্ষা কৰিব পাৰে। পুষ্টিকৰ, সুখাদ্য ভোজন প্রচলনৰ বিষয়েও তেওঁলোকে কিছু সহায় কৰিব পাৰে। তেওঁলোকে জাতীয় ভোজ আদিত বজাৰৰ ভেজাল তেল, ঘিঁউ, গাখীৰ আদিৰ ব্যৱহাৰ বন্ধ কৰি ঘৰত পেৰা তেল আৰু খাটি ঘিঁউ ব্যৱহাৰৰ বন্দৱস্ত কৰিব পাৰে আৰু তেনে ভোজ আদিত যিহকে দিয়ে তাকে নাখাই পৰিমাণত অল্প হলেও পুষ্টিকৰ খাদ্য খোৱাৰ আৰু খুওৱাৰ উচিত দিহা কৰিব পাৰে। তাকে কৰিব পাৰিলে ক্রমে ক্রমে ঘৰে ঘৰে ভাল-বেয়া, পুষ্টিকৰ-অপুষ্টিকৰ ইত্যাদি বিচাৰি কৰি খোৱাৰ অভ্যাস হব। নাম-কীর্ত্তন, মেল-উৎসৱ আদিৰ উপলক্ষে মিলিত স্বজাতীয়ৰ সম্মিলনৰ সময়ত ব্রহ্মচর্য্যৰ আৱশ্যকতা আৰু স্বাস্থ্যৰক্ষাৰ অন্যান্য বিষয়ে আলোচনা কৰি জাতীয় নেতাসকলে সমাজৰ যিমান উপকাৰ কৰিব পাৰে— আমাৰ বিশ্বাস, অন্য উপায়েৰে তিমান কৰিব পৰা টান।

শাৰীৰিক শক্তিৰ লগে লগে মনৰ সাহসও যে বাঢ়ে—তাত সন্দেহ নাই। কিন্তু শাৰীৰিক শক্তি বঢ়াব লাগিলে যিদৰে ব্যায়ামৰ আৱশ্যক, সেইদৰে মনৰ শক্তি বা সাহস বঢ়াব খুজিলে—তাৰ চৰ্চ্চা আৰু অনুশীলন কৰিব লাগে। স্বজাতীয় সকলৰ সাহস-বৃদ্ধিৰ বিষয়ে অন্য একো কৰিব নোৱাৰিলেও, নেতাসকলে অন্ততঃ স্বজাতীয় কোনো এজনে কোনো এটি সামান্য সাহসৰ কাম কৰা দেখিলেই সেই জনক স্বজাতীয় স্ত্ৰী-পুৰুষে মিলি সমাজ পাতি পুৰস্কাৰ, প্ৰশংসা নাইবা অৰ্থদানৰ দ্বাৰা উৎসাহিত কৰিব পাৰে। তাকে কৰিলে—সমাজত সাহসৰ উপযুক্ত আদৰ দেখিলে—সাহসী লোকৰ সৃষ্টি হব, তাত সন্দেহ নাই।

আজি কালি ভাৰতৰ নানা ঠাইত ক্ষত্ৰিয়-আন্দোলন চলিব ধৰিছে। যদি স্বজাতীয় সকলৰ মনৰ পৰা হীন আৰু সঙ্কীৰ্ণ ভাব আঁতৰাই সেই ঠাইত মনুষ্যত্ব আৰু আত্ম-সম্মানৰ গৌৰৱ প্ৰতিষ্ঠা কৰা উদ্দেশ্য হয়—যদি স্বজাতীয় সকলৰ শৰীৰ আৰু মনৰ দুৰ্ব্বলতা গুচাই স্বজাতীয় সকলক শক্তিমন্ত, পৰাক্ৰমী আৰু সাহসী কৰা লক্ষ্য হয়—তেন্তে এইবিলাক আন্দোলন কোনোৱে ন্যায়তঃ নিন্দা কৰিব নোৱাৰে। মনত ৰখা উচিত যে—দুৰ্বৃত্তৰ হাতৰ 'ক্ষত' অৰ্থাৎ অত্যাচাৰৰ পৰা দুৰ্ব্বলক 'ত্ৰাণ' বা ৰক্ষা কৰিব পাৰে যোনে—তাৰে নাম 'ক্ষত্ৰিয়'। ক্ষত্ৰিয়ৰ যি ৭ টি গুণ থকা উচিত তাৰ লেখ গীতাত দিছে।

শৌৰ্য্য, বীৰ্য্য, প্ৰভুভাৱ, নিপুণতা, দান।
যুদ্ধত দৃঢ়তা, ধৈৰ্য্য ক্ষত্ৰিয় লক্ষণ॥

হিন্দু-সমাজৰ এই ঘোৰ অধঃপতন আৰু তামসিক অৱস্থাৰ দিনত ক্ষত্ৰিয়ত্বৰ এনে উজ্জ্বল গুণৰাশিৰ চৰ্চ্চা আৰু অনুশীলনৰ দ্বাৰা স্বজাতীয় সকলক শক্তিমন্ত আৰু গৌৰৱান্বিত কৰিবলৈ যিসকলে ক্ষত্ৰিয়-আন্দোলন কৰে—আমাৰ বিশ্বাস, সেইসকল লোক হিন্দু-সমাজৰ পৰম হিতৈষী আৰু বিশেষ প্ৰশংসাৰ পাত্ৰ। আৰু সেই কাৰণেই আমি ক্ষত্ৰিয়-আন্দোলনৰ পক্ষপাতী।

২। বুদ্ধি-বল।

বুদ্ধি-বল—জাতিৰ উন্নতিৰ মেৰু-দণ্ড স্বৰূপ। মানুহ ক্ষমতাশালী হব লাগিলে শাৰীৰিক শক্তিৰ লগত বুদ্ধিৰ সংযোগ হব লাগে। কাৰণ বুদ্ধিহীন হলে শক্তিমন্ত মানুহৰো কেতিয়াবা গজৰ শ্ৰেণীত পৰাৰ আশঙ্কা থাকে। যি জাতিৰ ভিতৰত নানা বিদ্যাত শিক্ষিত আৰু বিবিধ জ্ঞান-বিজ্ঞানত পণ্ডিত লোকৰ সংখ্যা বেছি সেই জাতিয়ে সমাজত শ্ৰেষ্ঠ বুলি গণ্য হয়।

বুদ্ধি বৃদ্ধিৰ প্ৰধান উপায় হৈছে—শিক্ষা। সেই কাৰণেপ্ৰত্যেক জাতিয়ে স্বজাতীয়ৰ মাজত বিবিধ শিক্ষা বিস্তাৰৰ বাবে যত্ন কৰিব লাগে। ডাক্তাৰী, ওকালতি, ইঞ্জিনিয়াৰিং আৰু উচ্চ চাকৰি প্ৰভৃতিৰ বাবে যি শিক্ষাৰ প্ৰয়োজন—সি অত্যন্ত ব্যয়-সাপেক্ষ। তাৰ বাবে উপযুক্ত আৰু স্থায়ী ধন-ভড়াল স্থাপন কৰা সকলো জাতিৰ পক্ষে সহজ নহব পাৰে। কিন্তু তেনে বৃহৎ

কামত হাত দিব নোৱাৰিলেও প্ৰত্যেক জাতিয়ে ইচ্ছা কৰিলে অনায়াসে স্বজাতিৰ ভিতৰৰ পৰা অন্ততঃ নিৰক্ষৰতা তুলি দিব পাৰে। স্বজাতীয় লোকক বিভিন্ন কেন্দ্ৰত বিভক্ত কৰি সেই কেন্দ্ৰবিলাকত নৈশ-স্কুল (Night-School) আদিপাতি বিনা খৰছে নাইবা সামান্য খৰছেৰে লিখা-পঢ়া নজনা, কামত অবসৰ নোপোৱা আৰু অন্যান্য বয়সিয়াল সকলক অন্ততঃ লিখিব আৰু পঢ়িব পৰাৰ জোখাই শিক্ষা দিব পাৰে। তাৰ বাবে বৃহৎ ধন-ভড়াল নালাগে —লাগে মাত্ৰ দৃঢ় সঙ্কল্প আৰু সঙ্ঘ-বদ্ধ পুৰুষাৰ্থ।

৩। ধন-বল।

'ধনেন বলবান সৰ্ব্বে ধনাৎ ভবতি পণ্ডিতঃ।' ধনৰ বলত মূৰ্খেও পণ্ডিতৰ সমান মান পায়—কবিৰ এই বাক্য তেনেই অসত্য নহয়। বাস্তৱতে বৰ্ত্তমান যুগত ধনৰ বল পিছত নাথাকিলে সমাজত মান পোৱা দূৰৈৰ কথা—অপমানৰ হাত সাৰায়ে সহজ নহয়। সেই কাৰণেই আজি যি জাতি ঐশ্বৰ্য্যশালী সেই জাতিয়েই, যিমানেই হীন নহওক, বহু উচ্চ জাতিক অবলীলাক্ৰমে অতিক্ৰম (Supersede) কৰি সমাজত উচ্চ স্থান অধিকাৰ কৰিব পাৰিছে। গতিকে জাতীয় নেতা-সকলে স্বজাতীয় সকলক অৰ্থশালী কৰাৰ উপায় চিন্তা কৰা কৰ্ত্তব্য।

আজি কালি বহুত জাতিৰ পক্ষে স্বজাতীয় ব্যৱসায়ৰ দ্বাৰা ধন ঘটা দূৰৈৰ কথা প্ৰাণ-ৰক্ষা কৰায়ে টান হৈছে। সেই কাৰণে

সমাজত ব্যৱসায়-বিভ্ৰাট ঘটিব ধৰিছে। কিছুমানে স্বজাতীয় ব্যৱসায়ৰ দ্বাৰা জীবিকা নিৰ্ব্বাহ নোহোৱা দেখি কিংকৰ্ত্তব্য-বিমূঢ় হৈছে। কিছুমানে আত্ম-সম্মান হেৰুৱাই অন্য জাতিৰ ব্যৱসায়ত হাত দিবলৈ লাজ আৰু ভয় কৰি ভিক্ষাকে গৌৰৱৰ ব্যৱসায় বুলি গ্ৰহণ কৰিছে।

প্ৰকৃতপক্ষে সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে বৃত্ত্যন্তৰ বা জাতীয় ব্যৱসায়ৰ পৰিবৰ্ত্তন কোনো দোষৰ কথা নহয়। সৎ আৰু সাধু-ভাৱে পৰিচালিত কোনো ব্যৱসায়েই কেতিয়াও হীন হব নোৱাৰে।

দুঃখৰ বিষয় আজি কালি শিক্ষিত সকলৰ ভিতৰত বহুতে শাৰীৰিক শ্ৰম (manual labour) পছন্দ নকৰে আৰু কায়িক শ্ৰম-সাপেক্ষ ব্যৱসায়বিলাক ঘৃণা কৰে অথচ অতি সামান্য চাকৰী এটিকে উচ্চ-পদ বুলি গণ্য কৰে। এই ভাৱ আমাৰ মনৰ পৰা আঁতৰ নহলে আমাৰ জাতি হিচাপে আৰ্থিক উন্নতিৰ আশা কম। জাতীয় নেতাসকলে স্বজাতীয়ৰ মনৰ পৰা এই দুৰ্ব্বলতা দূৰ কৰিবলৈ যত্ন কৰা উচিত। তাৰ প্ৰধান উপায় হৈছে—শ্ৰম-জীৱী অৰ্থাৎ নিজ হাতে পৰিশ্ৰম কৰি খোৱা সকলৰ প্ৰতি যথোচিত মান-সম্মান দেখুৱা।

শ্ৰমজীৱীৰ প্ৰতি সম্মান বাঢ়িলে সমাজত শাৰীৰিক শ্ৰমৰ প্ৰতিপত্তি (বা Dignity of Labour) বাঢ়িব। সেয়ে হলে সামান্য শিক্ষা পোৱা বহুত লোকে শাৰীৰিক শ্ৰম-সাধ্য বহুত কামত নিযুক্ত হব আৰু সামান্য ব্যৱসায়ৰ পৰা যথেষ্ট উন্নতি কৰিব।

আৰু তেনে দৃষ্টান্তৰ পৰা সমাজৰ বহুত লোকৰ অন্নসংস্থানৰ পথ মুকলি হব।

বৰ্ত্তমান কালত চাকৰিয়ে শিক্ষিতৰ ভিতৰত বহুতৰে জীৱনৰ প্ৰধান লক্ষ্য হৈছে। আৰু অনেকে চাকৰি নাপালে জীৱন তেনেই নিষ্ফল যেন বোধ কৰিব ধৰিছে। তাৰ প্ৰধান কাৰণ—আমি উপযুক্ত শিক্ষা পোৱা নাই। কিন্তু তাকে কৈ বহি থাকিলে নচলে। স্বজাতীয় ভাইসকলৰ দুবেলা দুমুঠি অন্ন যোগাৰৰ পথ মুকলি কৰিব লাগিব। জাতীয় অনুষ্ঠানবিলাকে বহু খৰছ সাপেক্ষ ব্যৱসায়ত স্বজাতীয় বিলাকক উপযুক্ত সাহায্য কৰিব নোৱাৰিব পাৰে। কিন্তু তেওঁবিলাকে ইচ্ছা কৰিলে সামান্য মূলধনৰ যোগাৰ আৰু উৎসাহ দি স্বজাতীয় অল্প শিক্ষিত বা অশিক্ষিত দুখীয়া ভাই সকলক অন্ততঃ মিস্ত্ৰিৰ কাম—কঁহাৰ আৰু কমাৰৰ কাম,—বিবিধ পুতলা, ইটা আৰু আন আন মাটিৰ কাম—বালা, কাকৈ, হেন্দেল, বোতাম আদি কৰা হাতীৰ দাঁত, পহু আৰু ম'হৰ শিঙৰ কাম আৰু সুগন্ধি তেল আৰু চাবন আদি তৈয়াৰ কৰা নানা ক্ষুদ্ৰ ক্ষুদ্ৰ শিল্প-কাৰ্য্যত নিযুক্ত কৰিব পাৰে। তেওঁবিলাকে মন কৰিলে সামান্য আৰ্থিক সাহায্যেৰে সম্বলহীন স্বজাতীয় অল্প শিক্ষিত ভাই সকলক—দৈ, দুধ, ঘিঁউ, মাখন প্ৰভৃতিৰ ব্যৱসায় (Dairy Farm)—পশু আৰু পক্ষী পালন (Paultry Farming)—শাঁক-পচলি, ফল-মূল আদিৰ সামান্য কৃষি (Gardening) আদি নানা স্বাধীন ব্যৱসায়ত নিযুক্ত কৰি তেওঁবিলাকৰ জীবিকাৰ পথ মুকলি কৰি দিব পাৰে।

কোনো দুটা বা এটা জাতিয়ে স্বজাতীয় যুবক কিছুমানক এনে বিধৰ দুটা চাৰিটা ব্যৱসায়ত নিযুক্ত কৰি কৃতকাৰ্য্য কৰালে— অন্যান্য জাতিয়ে অবিলম্বে সেই দৃষ্টান্ত অনুসৰণ কৰিব। আৰু তাৰ পৰা দেশৰ অন্নবস্ত্ৰৰ কষ্ট যে বহু পৰিমাণে লাঘৱ হব—তাত সন্দেহ নাই।

ভিক্ষা-বৃত্তি অতি গৰ্হিত বৃত্তি। ই মানুহৰ মনুষ্যত্ব হৰণ কৰে! ভিক্ষাই মানুহক নিষ্কৰ্ম্ম, অলস আৰু সমাজৰ ভাৰস্বৰূপ কৰে। ই বিকাশ হব নিদি মানুহৰ শক্তিৰ অপচয় কৰে। ই আত্ম-সম্মান-বৰ্জ্জিত কৰি মানুহৰ নৈতিক অধঃপতনত সাহায্য কৰে। সেই কাৰণে জাতীয় নেতাসকলে স্বজাতিৰ ভিতৰত ভিক্ষুকৰ সংখ্যা হ্রাস কৰিবলৈ পুৰুষাৰ্থ কৰা উচিত।

৩। নৈতিক বল।

নৈতিক বল—জাতীয় উন্নতিৰ মুকুটসদৃশ। শৰীৰত অসীম শক্তি আৰু মনত অদম্য সাহস থাকিলে আৰু অতুল ঐশ্বৰ্য্যৰ অধিকাৰী নাইবা বুদ্ধিত বৃহস্পতিসদৃশ হলেও কোনোৱে প্ৰকৃত সুখ লাভ কৰিব নোৱাৰে—যদি হে সিজনৰ নৈতিক বলৰ অভাৱ ঘটে। ধৰ্ম্ম-পৰায়ণতা বা নৈতিক বলেহে মানুহক পশুৰ পৰা পৃথক কৰে। গতিকে প্ৰত্যেক সমাজৰ, প্ৰত্যেক জাতিৰ আৰু প্ৰত্যেক সমাজ-নেতাৰ প্ৰধান কৰ্ত্তব্য হৈছে,—সমাজৰ লোকক নৈতিক উন্নতিত সাহায্য কৰা।

জাতিৰ উন্নতি বা শ্ৰেষ্ঠতা লাভৰ মূলতো—এই নৈতিক উন্নতি। নৈতিক উন্নতিত তল পৰি থকা ধনে-জনে, বিদ্যা-বুদ্ধিৰে বা শৌৰ্য্য-বীৰ্য্যেৰে উন্নত জাতিও প্ৰকৃত পক্ষে সমাজত শ্ৰেষ্ঠ বুলি পৰিগণিত হব নোৱাৰে। সেই কাৰণে জাতীয় নেতাসকলে স্বজাতীয়ৰ নৈতিক উন্নতিৰ বিষয়ে ঘাইকৈ লক্ষ্য ৰাখিব লাগে।

ধৰ্ম্ম—পালন কৰিব লগীয়া বস্তু। ই কেৱল শিকি ৰাখিবৰ বা মুখেৰে আওৰাই থাকিব লগীয়া বস্তু নহয়। ই মানুহৰ জীৱনৰ ভিতৰেদি সৰু-ডাঙ্গৰ প্ৰত্যেক কাৰ্য্যৰ মাজেদি বই যাব লগীয়া বস্তু। কেৱল ঔষধৰ নাম ললে যিদৰে নৰীয়া নুগুচে—ঔষধ খালেহে গুচে; সেইদৰে কেৱল ধৰ্ম্ম শিকি থলে বা মন্ত্ৰ আওৰালেই জীৱন পবিত্ৰ নহয়। ধৰ্ম্মমতে সৰু-ডাঙ্গৰ সাংসাৰিক যাবতীয় কাৰ্য্য কৰিলেহে জীৱন পবিত্ৰ হয়। সেই দেখি হিন্দু ঋষিসকলে ধৰ্ম্ম পালনৰ সঙ্কেত এই দৰে দিছে ঃ—

প্ৰাতঃ প্ৰভৃতি সায়ান্তং সায়াদি প্ৰাতৰন্ততঃ।
যৎ কৰোমি জগত্যৰ্থে তদস্তু তব পূজনম্॥

ৰাতি পুৱাৰ পৰা সন্ধ্যালৈ আৰু সন্ধ্যাৰ পৰা ৰাতি পুৱালৈ আমি যি বিলাক সাংসাৰিক কাম কৰোঁ সেই সকলো বিলাকেই ভগৱানৰ পূজাৰ কাৰ্য্য বুলি কৰিব লাগে।

গতিকে সকলো সমাজ-নেতাই ধৰ্ম্ম শিক্ষা দিয়াৰ লগে লগে সমাজৰ লোকে প্ৰকৃততে ধৰ্ম্মমতে চলে নে নাই সেই পিনেও চকু দিয়া উচিত।

চক জীৱনৰ মূল ভিত্তি—সত্য।
মান কালত আমাৰ সত্যৰ প্ৰতি শ্ৰদ্ধা কিছু পৰিমাণে হ্ৰাস হব ধৰিছে। আৰু বিশেষভাৱে সাক্ষী স্বৰূপে আদালতত মিছা কথা কোৱাৰ ভয় ক্ৰমে কমি আহিব ধৰিছে। ইয়াৰ প্ৰতিকাৰ জাতীয় নেতাসকলে চিন্তা কৰা উচিত। আমাৰ বিবেচনাত মামলা-মোকদ্দমাৰ মাত্ৰা কমোৱায়েই ইয়াৰ প্ৰতিকাৰৰ প্ৰধান উপায়।

মামলা-মোকদ্দমা সমাজ-শৰীৰৰ ব্যাধি স্বৰূপ। মামলা-মোকদ্দমাই আমাক সাক্ষীস্বৰূপে মিছা কথা
সমাজৰ শান্তি ভঙ্গ কৰে আৰু পক্ষগণক
কৰে। আৰু তাৰ পৰা ক্ৰমে ক্ৰমে সমাজৰ
লোকক অধঃপতন হয়। এতেকে জাতীয় বা স্থানীয় সমাজ-নেতা-সকলে পঞ্চায়ত পাতি ন্যায় বিচাৰৰ দ্বাৰা স্থানীয় বাদ-বিসম্বাদ বিলাক আপোষে মীমাংসা কৰি দি সমাজত শান্তি আৰু ধৰ্ম্মৰ পথ মুকলি কৰি দিবলৈ যত্ন কৰা উচিত। পঞ্চায়তসকলে বিবাদ মীমাংসা কৰাকে ধন-ঘটাৰ উপায় বুলি নধৰি ধৰ্ম্ম-কাৰ্য্য বুলি বিবেচনা কৰিলে—বিৰোধ মীমাংসা কৰা উজু হয় আৰু তাৰ পৰা লোকৰ পঞ্চায়তৰ প্ৰতি ভক্তি আৰু শ্ৰদ্ধা বাঢ়ে।

কানি, ভাং, মদ আদি জাতিৰ নৈতিক অন্তৰায়। এই বিলাক মাদক বস্তুৱে
ৰৰ শক্তি আৰু হাতৰ ধন নাশ কৰে
ভেদে নহয় প্ৰত্যেকলাকে আমাৰ নৈতিক বলো ক্ষয় কৰে আৰু

লাহে লাহে মন দুৰ্ব্বল কৰি আনি শেষত
পাপ-কামত প্ৰবৃত্ত কৰে। যি জাতিৰ ।ভ
বা মদপী বেছি সেই জাতি সম্পদশালী হোৱাৰ আশা কম বৰং সংসৰ্গ-দোষত গোটেই জাতিয়েই সমাজত অৱজ্ঞা আৰু ঘৃণাৰ পাত্ৰ হোৱাৰ হে সম্ভাৱনা। এতেকে জাতীয় ে ।সকলে ভাং, কানি, মদ, চুৰট, বিৰী আদি বিষৰ হাতৰ পৰা স্বজাতীয় সকলক দূৰৈত ৰাখি স্বজাতিক নিৰ্ম্মল আৰু শক্তিমন্ত কৰিবলৈ যত্ন কৰা কৰ্ত্তব্য।

পতিতা, ''ৰ্ষিতা, নিৰাশ্ৰয়া ৰমণী আৰু অনাথ বাল- -বালিকা—অৱজ্ঞাৰ পাত্ৰ নহয়। —সমাজৰ সমস্ত লোকেই শান্ত, শি
বুলি আশা কৰ অনুচিত। সমাজ স
লোকৰ দ্বাৰা ঠিত। সমাজ দুষ্ট-শান্ত দুয়োৰো কাৰণে শান্তৰ ৰক্ষাৰ * সমাজ যিদৰে দায়ী, সেইদৰে দুষ্ট, পতিত, অসৎ, নাইবা ।নাশ্ৰয়কো সমাজে সমাজৰ মাজত ঠাই দিবলৈ বাধ্য। যি ১ ।জে এইসকলক প্ৰত্যক্ষ বা পৰোক্ষভাৱে সমাজৰ পৰা, ।ৰ্ম্মৰ পৰা বাহিৰ কৰি দিয়ে—যি সমাজে প্ৰায়শ্চিত্তৰ নামত ধন উপাৰ্জ্জনৰ চেষ্টাৰ দ্বাৰা এই সকলক সমাজ-ত্যাগ কৰিবলৈ বা ভিন্ন ধৰ্ম্ম গ্ৰহণ কৰিবলৈ বাধ্য কৰে—যি সমাজে এই স ফলক সৰল, সহজ আৰু দয়াপূৰ্ণ উপায়ে শুদ্ধ কৰি সমাজত ঠাই দিব নোখোজে—সেই সমাজ
নহয়।

অন্য ধৰ্ম্মৰ সমাজতো পতিতা বা ধৰ্ষিতা স্ত্ৰীলোকে সভায়কাল